জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...শতিতম বছৰ, সংখ্যা ১১১ ● শুকুৰবাৰ ● ১১ পুহ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday December 27, 2024 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ...

## কানৈ মহাবিদ্যালয়ত গ্ৰন্থ অধ্যয়নৰ কাৰ্যসূচী

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ’ৰ্টাৰ ২৬ ডিচেম্বৰ ঃ অসমত যুৱক-যুৱতীসকলৰ মাজত গ্ৰন্থ অধ্যয়নৰ মানসিকতা নথকা বুলি প্ৰচাৰ হৈ থকাৰ মাজতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাকৰিৰ সেউজীয়া আৰু উন্মুক্ত আকাশৰ তলত ‘আছাম ৰিডছ্’ৰ ষষ্ঠটো সামূহিক পঠন আৰু আলাপ অনুষ্ঠান ২২ ডিচেম্বৰত অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে কিতাপক ভাল পোৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ ছোৱালী মহাবিদ্যালয় আৰু অসমৰ বাহিৰত অধ্যয়নৰত বহুসংখ্যক নৱ প্ৰজন্ম। উল্লেখযোগ্য যে ‘আছাম ৰিডছ ঃ এ কমিউনিটি ফৰ ৰিডাৰ্ছ’ হৈছে নৱপ্ৰজন্মৰ মাজত সংগঠিত এক যুৱ সম্প্ৰদায়। প্ৰতিভাৱান যুৱতী তথা কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী বিদ্যাশ্ৰী শইকীয়াৰ ব্যতিক্ৰমী চিন্তাৰ ফচল ‘আছাম ৰিডছ্’, যাৰ লক্ষ্য হৈছে নৱপ্ৰজন্মৰ মাজত কিতাপ পঢ়া তথা গ্ৰন্থ অধ্যয়নৰ জনপ্ৰিয়তা আৰু প্ৰৱণতা বৃদ্ধি কৰা, যুৱ চিন্তাৰ আদান-প্ৰদান আৰু অসমৰ বিভিন্ন ঠাইৰ চুকে-কোণে থকা যুৱ পঢ়ুৱৈসকলক সংগঠিত কৰি ৰখা। ইয়াৰ কৰ্মসূচীসমূহৰ অন্যতম হৈছে সাপ্তাহিক অধ্যয়ন। যাৰ অধীনত প্ৰত্যেক সপ্তাহৰ দেওবাৰৰ দিনটোত পুৱা অথবা বিয়লি দুঘণ্টাকৈ কোনো নিৰ্দিষ্ট স্থানত স্থানীয় যুৱ পঢ়ুৱৈসকলে কিতাপ পঢ়িব পাৰে। এই অধ্যয়নৰ সময়ছোৱাত তেওঁলোকে ম’বাইল ফ’ন অথবা ডিজিটেল সা-সামগ্ৰীৰ পৰা আঁতৰি থাকিব। পঢ়াৰ অন্তত যুৱ পঢ়ুৱৈ সমাজৰ মাজত সৃষ্টিশীল চিন্তাৰ আদান-প্ৰদান হয়। ‘আছাম ৰিডছ’ৰ দ্বিতীয় কৰ্মসূচী হৈছে কিতাপ পঢ়াৰ মাধ্যমেৰে যুৱ লেখকসকলৰ মাজত লিখাৰ যি দক্ষতা, সেই দক্ষতা বৃদ্ধি কৰা। তেওঁলোকক উৎসাহ জনাবলৈ নৱ যুৱ লেখকসকলৰ লেখাসমূহ ‘আছাম ৰিডছ’ৰ সামাজিক মাধ্যমত প্ৰকাশ কৰা হয়। উক্ত দিনাৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ বিষয় আছিল ‘শিক্ষা আৰু সাহিত্যত পাৰিপাৰ্শ্বিকতা।’ আছাম ৰিডছ্ৰ মুখ্য আহ্বায়ক, যুৱ প্ৰতিভা বিদ্যাশ্ৰী শইকীয়াৰ পৰিচালনাৰে আৰম্ভ হোৱা অন্তৰংগ আলাপৰ পাতনি মেলা হয় শিশু সাহিত্যিক ভবেন্দ্ৰনাথ শইকীয়াৰ ‘গছ ভালপোৱা ককাৰ খং’ শীৰ্ষক কবিতা পাঠেৰে। অনুষ্ঠানত উপস্থিত এজন পঢ়ুৱৈয়ে কবিতাৰ সৃষ্টিৰ নেপথ্যত শইকীয়াৰ জীৱনৰ কিছু ব্যক্তিগত বাস্তৱ অভিজ্ঞতা জড়িত হৈ আছিল বুলি উল্লেখ কৰে। অনুষ্ঠানটোত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ নয়নজ্যোতি কুৰ্মিয়ে হীৰেন ভট্টাচাৰ্যৰ ‘মোৰ দেশ’ শীৰ্ষক কবিতাটোৰ মাজেৰে কেনেদৰে মানুহ প্ৰকৃতিৰ সৈতে সংপৃক্ত হৈ আছে, তাৰ এক সম্যক ব্যাখ্যা কৰে। ইয়াৰ পাছত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই স্বৰচিত এটি কবিতা আবৃত্তি কৰে। হৰ্ষিত চিৰিং ফুকনে আবৃত্তি কৰা ‘এ ফুল মুন অভাৰ দ্য লেক’ শীৰ্ষক কবিতাটো আছিল অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণৰ বিন্দু। অনুষ্ঠানত মনমানসী শৰ্মাই আবৃত্তি কৰা ৰবাৰ্ট ফ্ৰষ্টৰ ‘দ্য ৰড নট টেকন’ শীৰ্ষক কবিতাটোৰ বাখ্যা আগবঢ়াই খুচী গুপ্তাই মানুহৰ জীৱনত কবিতাটোৰ অৰ্থগত ব্যাখ্যা সম্পৰ্কত অনুভৱ ব্যক্ত কৰে। উদ্যোক্তাসকলে জনোৱা মতে, আগন্তুক দিনত প্ৰত্যেক জিলাতে ধাৰাবাহিকভাৱে এই অনুষ্ঠানসমূহ অনুষ্ঠিত হৈ যাব।

১৯৫৩ চন...
চন্দ্ৰ দাসে...
কেন্দ্ৰ আ...
বস্ত্ৰ ব্যৱসা...
নামৰ অস...
চনত ডিব্ৰ...
সেৱা আগ...
প্ৰতিষ্ঠানৰ...
আক্ৰান্ত হৈ...
চন্দ্ৰ দাসৰ...
মহাবিদ্যাল...
এক শোক...
জনায়। তে...

ডিব্ৰুগড়...
ব্যক্তি ত...
ডিচেম্বৰ...
তেওঁৰ ম...
তথা শ...